**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-DEC-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।	ফেব্ৰুৱাৰীৰ শেষভাগত অথবা মাৰ্চৰ প্ৰথমভাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ সম্ভাৱনা আছে বুলি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ প্ৰকাশ।

২।	শীতৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহ আজিৰে পৰা ৬ জানুৱাৰীলৈ বন্ধ ৰখাৰ সিদ্ধান্ত। শ্ৰীভূমি জিলাত বিদ্যালয়ৰ পাঠদানৰ সময় সলনি।

৩।	বজালীত চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৪।	পুৰণি বৰ্ষক বিদায় দি নতুন বছৰক আদৰাৰ বাবে ৰাজ্যবাসীৰ প্ৰস্তুতি। বনভোজস্থলীসমূহত অগণন লোকৰ সমাগম।		**আৰু**

৫।	হোৱাইট ৱাছ শ্ৰীলংকা। পাঁচখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত ভাৰতৰ মহিলা দলৰ দুৰ্দান্ত প্ৰদৰ্শন।

০০০০০০

অহা ফেব্ৰুৱাৰীৰ শেষভাগত নাইবা মাৰ্চৰ প্ৰথমভাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি বুথ পৰ্যায়ৰ বিষয়াসকলে সংশোধিত খচৰা ভোটাৰ তালিকাৰ সবিশেষ সংশ্লিষ্ট গাঁওসভাসমূহক প্ৰদান কৰিব। ৩, ৪, ১০ বা ১১ জানুৱাৰীত গাঁওসভাৰ জৰিয়তে খচৰা ভোটাৰ তালিকা সন্দৰ্ভত প্ৰতিখন গাঁৱৰ বাসিন্দাক অৱগত কৰোৱা হ'ব। গাঁওসভাৰ দিনটো জিলা আয়ুক্তই নিৰ্ধাৰণ কৰিব।

**বাইট**

শ্ৰী গোৱেলে কয়, যে ৰাজ্যত সংশোধিত ভোটাৰ তালিকাৰ খচৰা অনুসৰি ভোটাৰৰ সংখ্যা পূৰ্বতকৈ ১ দশমিক ৩-৫ শতাংশ বৃদ্ধি হৈছে। তেওঁ কয়, যে ৰাজ্যত ৬০ হাজাৰৰো অধিক বি এল অ'ৰ দ্বাৰা খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে। নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে এইবাৰ ৰাজ্যত ভোটদাতাৰ সংখ্যা ২ কোটি ৫২ লাখ এহেজাৰ ৬২৪। খচৰা ভোটাৰ তালিকা মতে মুঠ পুৰুষ ভোটদাতাৰ সংখ্যা ১ কোটি ২৫ লাখ ৭২ হাজাৰ ৫৮৩ আৰু মহিলা ভোটদাতাৰ সংখ্যা ১ কোটি ২৫ লাখ ২৮ হাজাৰ ৬৬২। তৃতীয় লিংগৰ ভোটদাতাৰ ৩৭৯ গৰাকী। দিব্যাংগ ভোটদাতাৰ সংখ্যা ২ লাখ দুহেজাৰ ৪৩৩। এইবাৰ এহেজাৰ ৮৩০টা ভোটকেন্দ্ৰ বৃদ্ধিৰে মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ৩১ হাজাৰ ৪৮৬ লৈ বৃদ্ধি হৈছে। খচৰা ভোটাৰ তালিকাত ৭ লাখ ৮৬ হাজাৰ ৮৪১ গৰাকী নতুন ভোটদাতাৰ নাম অন্তৰ্ভুক্ত হৈছে। ইয়াৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ১৯৬ গৰাকী ভোটাৰৰ নাম তালিকাৰ পৰা কৰ্তন কৰা হৈছে। ভোটাৰ তালিকাত একাধিকবাৰ নাম থকা ৫৩ হাজাৰ ৬১৯ গৰাকী ভোটদাতাৰ নাম কৰ্তন কৰা হৈছে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা মতে কৰ্মসূত্ৰে বাহিৰত থকা ভোটদাতাসকলে ৬ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে ২২ জানুৱাৰীলৈকে আবেদন কৰিব পাৰিব। একেদৰে ৮ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম ভুল থাকিলে সংশোধন কৰিব পাৰিব। ১০ ফেব্ৰুৱাৰীত পূৰ্ণাংগ ভোটাৰ তালিকা প্ৰকাশ পাব বুলি সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

শীতৰ প্ৰকোপ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহ আজিৰে পৰা অহা ৬ জানুৱাৰীলৈ বন্ধ ৰখাৰ বাবে শিক্ষা বিভাগে নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ বিদ্যালয়খনৰ পৰিদৰ্শক আৰু সমগ্ৰ শিক্ষা অসমৰ জিলা সমন্বয়কে এই নিৰ্দেশ জাৰি কৰিছে। জিলাখনৰ আয়ুক্তৰ সৈতে আলোচনা কৰি গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি সকলো বিদ্যালয় বন্ধ ৰখা হ'ব। আনহাতে, ব্যক্তিগত বিদ্যালয়সমূহকো ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ এই নিৰ্দেশ বিবেচনা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। একেদৰে শ্ৰীভূমি জিলাতো বিদ্যালয়ৰ পাঠদানৰ সময় সালসলনি কৰা হৈছে। সেই অনুসৰি পুৱা ১০ বজাৰ পৰা বিয়লি আঢ়ৈ বজালৈ জিলাখনৰ বিদ্যালয়সমূহৰ পাঠদান কৰাৰ পৰামৰ্শ দিয়া হৈছে। উল্লেখযোগ্য যে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে শীতৰ প্ৰকোপ অব্যাহত থাকিলে বিদ্যালয়সমূহ বন্ধ ঘোষণাৰ কথা বিবেচনা কৰা হ'ব বুলি কালি সাংবাদিকৰ আগত প্ৰকাশ কৰিছিল।

উল্লেখযোগ্য যে বিগত তিনি-চাৰিদিন ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰ শীতৰ কবলত পৰিছে। বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই জনোৱা মতে গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ সৰ্বনিম্ন তাপমাত্ৰাৰ বিশেষ সাল-সলনি ঘটা নাই যদিও সৰ্বোচ্চ তাপমাত্ৰা দুদিনৰ ভিতৰত কমেও ৬ ডিগ্ৰী হ্ৰাস পাইছে।

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তজাৰ্তিক বিমান বন্দৰত কেইবাখনো বিমানৰ উৰণ আৰু অৱতৰণ কেইবা ঘণ্টাও বিলম্ব হয়। শীত প্ৰবাহ আৰু ঘন কুঁৱলীৰ বাবে দেশৰ বিমান পৰিবহণ সংস্থাসমূহে শতাধিক ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় বিমানৰ সেৱা বাতিল কৰে।

000000

বজালীত চিকিৎসা মহাবিদ্যালয় আৰু অভিযান্ত্ৰিক মহাবিদ্যালয় পৰ্যায়ক্ৰমে নিৰ্মাণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। বানত ক্ষতিগ্ৰস্ত মেধিকুছি অঞ্চলত কালি ভট্টদেৱ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ মুকলি কৰাৰ পাছত মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। বানে খহাই নিয়া মেধিকুছি অঞ্চলটো চৰকাৰে পুনৰ সুন্দৰ ৰূপত গঢ়ি তোলাৰ লগতে উচিত ক্ষতিপূৰণ দিছে বুলিও মুখ্যমন্ত্ৰীয়ে সাংবাদিকৰ আগত উল্লেখ কৰে।

**বাইট**

বিজেপি মিত্ৰজোঁট চৰকাৰে ৰাজ্যৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কাম কৰি আছে আৰু অনাগত দিনতো কাম কৰি যাব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে অসমখনক সকলো দিশতে আগুৱাই নিয়া আৰু খিলঞ্জীয়ালসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে অহৰহ কাম কৰি যাব।

000000

অসমত মৌলবাদী সমস্যাটো বহুদিনলৈ থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছে। মৌলবাদী কাৰ্যকলাপৰ লগত জড়িত ১১ জন লোকক গ্ৰেপ্তাৰ কৰাৰ পাছত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিষয়টো সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, যে মৌলবাদী অসমত শক্তিশালী হৈ আছে। যিহেতু অসম বাংলাদেশৰ চুবুৰীয়া ৰাজ্য সেয়েহে অসমত এনে সমস্যা বহুদিনলৈ থাকিব বুলি তেওঁ কয়।

উল্লেখযোগ্য যে ৰাজ্যত গোপনে কূটাঘাতমূলক কাৰ্যকলাপত লিপ্ত হোৱা বহিঃৰাষ্ট্ৰৰ মৌলবাদী শক্তিক **অপাৰেচন প্ৰতিঘাত**ৰ জৰিয়তে উৎখাত কৰা বুলি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই প্ৰকাশ কৰিছে। মহানগৰ আৰক্ষী আয়ুক্তৰ নতুন কাৰ্যালয়ত কালি সম্বোধন কৰা এখন সংবাদমেলত আৰক্ষী আয়ুক্তগৰাকীয়ে কয়, যে দেশৰ আন দুখন ৰাজ্যৰ লগতে অসমতো বাংলাদেশী মৌলবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। **অপাৰেচন প্ৰতিঘাত** নামেৰে চলা আৰক্ষীৰ এই অভিযানত স্পেচিয়েল টাস্ক ফৰ্চে ১১ জন বাংলাদেশী মৌলবাদীক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্যৰ দৰং, চিৰাং, বৰপেটা আৰু বাক্সা জিলাত **অপাৰেচন প্ৰতিঘাত** অভিযান চলোৱা হৈছিল। অসমত মৌলবাদী কাৰ্যকলাপ বিয়পোৱাৰ কৌশল ৰচা তামিম ইছলাম নামৰ মৌলবাদী সদস্যজনক এছ টি এফে গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে এছ টি এফে অসমত বাহৰ পাতি মৌলবাদ বিয়পোৱাৰ চেষ্টা কৰা জামাত-উল-মুজাহিদ্দিনৰ দহজন সদস্যক গ্ৰেপ্তাৰ কৰে। এনে মৌলবাদীৰ বিৰুদ্ধে এছ টি এফে ত্ৰিপুৰা আৰু পশ্চিমবংগতো

অভিযান চলাইছিল। গ্ৰেপ্তাৰ হোৱা মৌলবাদী সদস্যকেইজনৰ পৰা বহু আপত্তিজনক সামগ্ৰী জব্দ কৰা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। ধৃত জামাত-উল-মুজাহিদ্দিন বাংলাদেশৰ সদস্যকেইজনে মূলত ডিজিটেল জেহাদেৰে ৰাজ্যৰ যুৱ প্ৰজন্মক লক্ষ্য কৰি লৈছিল। অসমৰ বিভিন্ন স্থানৰ আওঁহতীয়া অঞ্চলৰ যুৱ সমাজক তেওঁলোকে মূল লক্ষ্য হিচাপে লোৱা বুলিও আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰিছে। মৌলবাদী শক্তিটোৱে ডিজিটেল জেহাদেৰে অসমত ধন সংগ্ৰহ কৰি বাংলাদেশলৈ প্ৰেৰণ কৰিছিল। আৰক্ষী আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি ইমাম মেহমুদ্দাৰ কাফিলা চমুকৈ আই এম কে, আনছাৰুল্লাহ বাংলা টীম চমুকৈ এ বি টি, অল কায়দা ইণ্ডিয়ান ছাবকণ্টিনেণ্ট চমুকৈ এ কিউ আই এছ আদি মৌলবাদী সংগঠনে অসম তথা ভাৰতক অশান্ত কৰাৰ লক্ষ্যৰে কূট কৌশল ৰচনা কৰিছিল।

**বাইট (পাৰ্থ সাৰথি মহন্ত)**

oooooo

ইংৰাজী ২০২৫ বৰ্ষৰ আজি অন্তিম দিন। কাইলৈ নতুন সম্ভাৱনা লৈ এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু উত্থান-পতন আৰু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰোৱা ২০২৫ বছৰটোৱে অসমবাসীলৈ ভালেমান সুখ আৰু দুখৰ সংবাদ লৈ আহিছিল। এনে প্ৰত্যাহ্বান নেওচিও জনসাধাৰণে নতুন সময়ক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষক আদৰাৰ বাবে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ অন্তিম দিনা বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ সমীপৰ চন্দ্ৰপুৰ, ৰাণী, টেঘেৰিয়া, পানীখাইতি, হাতীশিলাকে ধৰি বিভিন্ন অঞ্চলত আজি পুৱাতেই অগণন লোক বনভোজৰ আনন্দ উপভোগৰ বাবে সমবেত হৈছে। বৰপেটা জিলাৰ বাঘবৰৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, সৰভোগৰ বেঁকী নদীৰ বালিচৰকে ধৰি বিভিন্ন বনভোজস্থলীত আজি যথেষ্ট লোকৰ সমাগম হয়। নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষী আৰু পৰিবহণ বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে যোড়শ চানডুবি মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হয়। কাইলৈ পুৱা ৮ বজাত এই মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ২ জানুৱাৰীত সাংস্কৃতিক কাৰ্যসূচী আৰু ৩ জানুৱাৰীত জনজাতি সমাজৰ পৰম্পৰা আৰু ৰীতি-নীতি বিষয়ত আলোচনাসত্ৰ অনুষ্ঠিত হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰে পৰা ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে।

oooooo

বাংলাদেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰী তথা বি এন পি নেত্ৰী খালেদা জিয়াৰ আজি বিয়লি ঢাকাত জানাজা সম্পন্ন কৰা হ'ব। এই কাৰ্যসূচীত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে অংশগ্ৰহণ কৰিব। জানাজাত দক্ষিণ আৰু দক্ষিণ পূব এছিয়াৰ কেইবাখনো দেশৰ প্ৰতিনিধিও উপস্থিত থাকিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে বাংলাদেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ কালি ঢাকাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। ১৯৪৬ চনৰ ১৫ আগষ্টত তেতিয়াৰ পূব পাকিস্তানৰ দিনাজপুৰত জন্মগ্ৰহণ কৰা খালেদা জিয়াই পৰৱৰ্তী সময়ত স্বামীৰ দ্বাৰা প্ৰতিষ্ঠিত বাংলাদেশ নেচনেলিষ্ট পাৰ্টীৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯৯০ চনত বাংলাদেশৰ সাধাৰণ নিৰ্বাচনত বিজয়ী হৈ জামাত-ই-ইছলামীৰ সহযোগত খালেদা জিয়াই চৰকাৰ গঠন কৰে। ২০০৪ চনত বিস্ফোৰণৰ ঘটনাত দোষী

সাব্যস্ত বুলি শ্বেখ হাছিনা চৰকাৰে খালেদা জিয়াক ১৭ বছৰৰ কাৰাদণ্ড বিহে আৰু ইয়াৰ পাছতে তেওঁ লণ্ডনত স্বনিৰ্বাসন যাপন কৰে।

২০২৪ চনৰ ছাত্ৰবিক্ষোভৰ পৰৱৰ্তী পৰ্যায়ত মহম্মদ ইউনুছৰ নেতৃত্বত তত্বাৱধায়ক চৰকাৰ গঠনৰ পাছতেই খালেদা জিয়াই লণ্ডনৰ পৰা বাংলাদেশলৈ প্ৰত্যাৱৰ্তন কৰে।

০০০০০০

শ্ৰীলংকাৰ বিৰুদ্ধে অনুষ্ঠিত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাত ভাৰতৰ মহিলা দলটোৱে ৫-০ৰ ব্যৱধানত জয়লাভ কৰিছে। কালি তিৰুৱনন্তপুৰমত অনুষ্ঠিত শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰত ১৫ ৰানত জয়ী হয়। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। অধিনায়ক হৰমনপ্ৰীত কৌৰে সৰ্বাধিক ৬৮ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত আলহী দলটো নিৰ্ধাৰিত অভাৰত ৭ উইকেটৰ বিনিময়ত ১৬০ ৰানহে কৰিবলৈ সমৰ্থ হয়। হৰমনপ্ৰীত কৌৰক প্লেয়াৰ অৱ দা মেচ আৰু শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

০০০০০০

ভাৰত বিশ্বৰ ৪ৰ্থ বৃহৎ অৰ্থনীতিত পৰিণত হোৱা বুলি কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা, বিশেষ সংশোধনীৰ সংহত খচৰা ভোটাৰ তালিকা প্ৰকাশ, বাংলাদেশৰ বিভিন্ন সন্ত্ৰাসবাদী সংগঠনে অসমত কূটাঘাতৰ বাবে চলোৱা তৎপৰতা, শিল্পী জুবিন গাৰ্গৰ বিয়োগ সন্দৰ্ভত পত্নীয়ে অনা বিভিন্ন অভিযোগকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰা হৈছে।

৪.১৮ ট্ৰিলিয়ন ডলাৰেৰে জাপানক অতিক্ৰম কৰি ভাৰত বিশ্বৰ চতুৰ্থ বৃহৎ অৰ্থনীতিত পৰিগণিত হোৱা বুলি কেন্দ্ৰীয় চৰকাৰে কৰা ঘোষণাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে আজি প্ৰথম পৃষ্ঠাত স্থান দিছে। অসমৰ চলচ্চিত্ৰ নিৰ্মাতা ৰীমা দাসলৈ ভিলেজ ৰকষ্টাৰ্ছ-২ চলচ্চিত্ৰৰ বাবে নিউয়ৰ্ক ৱমেন ইন ফিল্ম এণ্ড টেলিভিছন এৱাৰ্ড আগবঢ়োৱাৰ বাতৰি এটাও কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমত কুটাঘাত সংঘটিত কৰিবলৈ বাংলাদেশৰ মৌলবাদী সংগঠনৰ তৎপৰতাৰ বাতৰি একোটা দৈনিক অসম কাকতে - 'JMBৰে সম্পৰ্ক, বৰপেটা, বাক্সা, চিৰাং, দৰঙত STFৰ অভিযান, ৰাজ্যত জেহাদীৰ জাল - গ্ৰেপ্তাৰ ১১' শিৰোনামেৰে; দৈনিক জনমভূমি কাকতে 'বাংলাদেশত অস্থিৰতাৰ সুযোগ লৈ ইমাম মাহমুদাৰ নেটৱৰ্ক - টাৰ্গেট কৰিছিল যুৱ প্ৰজন্মক, নামনি অসম-ত্ৰিপুৰাত আৰক্ষীৰ অভিযান' শিৰোনামেৰে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে বাতৰিটোৰ 'অসম ৰক্তাক্ত কৰিবলৈ ৰচনা কৰিছিল ভয়ংকৰ নেটৱৰ্ক, পাৰ্থসাৰথি মহন্তৰ নেতৃত্বত গ্ৰেপ্তাৰ ১১ কুখ্যাত সন্ত্ৰাসবাদী - বাংলাদেশী মৌলবাদীৰ ঘাটি উৎখাত' - শিৰোনাম দিছে।

অসমৰ সকলো বিধানসভা সমষ্টিৰ বিশেষ সংশোধনীৰ সংহত খচৰা নিৰ্বাচনী তালিকা প্ৰকাশ পোৱাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে আজি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ মৃত্যু আৰু তদন্ত প্ৰক্ৰিয়াকলৈ প্ৰয়াত শিল্পীগৰাকীৰ পত্নীয়ে অনা অভিযোগসমূহক আজি কেইবাখনো কাকতে প্ৰাধান্য দিয়া পৰিলক্ষিত হৈছে। আমাৰ অসম কাকতে 'যতত থকা প্ৰতিজনকে বিচাৰৰ গণ্ডীলৈ আনক - গৰিমা গাৰ্গ'; দৈনিক অগ্ৰদূতে 'সামাজিক মাধ্যমত গৰিমা গাৰ্গৰ বিশেষ পোষ্টকলৈ ৰাজ্যজুৰি ব্যাপক চৰ্চা, জুবিনৰ ন্যায়প্ৰাপ্তিকলৈ শংকিত গৰিমা', দি আছাম ট্ৰিবিউন কাকতে - 'Zubeen Garg death - Garima levels series of allegations against Siddharth, Syamkanu' শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে।

শীতৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় বন্ধৰ নিৰ্দেশৰ বাতৰি এটা দ্য ছেণ্টিনেল কাকতে 'Schools in Kamrup Metro to remain closed for a week due to severe cold' শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত ঘন কুঁৱলীয়ে আৱৰি থাকিব। অৱশ্যে পাছলৈ বতৰ কিছু ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ১৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ কিছু অংশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। নাগালেণ্ড, মণিপুৰ, মিজোৰাম, মেঘালয় আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**